মই তোমালোকক ৰোজা, নামাজ আৰু দান-খয়ৰাততকৈও অধিক উত্তম আমলৰ বিষয়ে অৱগত নকৰিমনে?

আবুদ দাৰদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মই তোমালোকক ৰোজা, নামাজ আৰু দান-খয়ৰাততকৈও অধিক উত্তম আমলৰ
বিষয়ে অৱগত নকৰিমনে?" তেওঁলোকে ক'লেঃ হয় নিশ্চয় জনাওক। তেখেতে ক'লেঃ "পৰস্পৰৰ মাজত মীমাংসা কৰা, কাৰণ পৰস্পৰৰ মাজত কাজিয়া লগোৱাটো হৈছে ধ্বংসৰ কাৰণ।"
[ছহীহ] [(আবু দাঊদ, তিৰমিজী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক সুধিলে যে, মই তোমালোকক এনেকুৱা এটা আমলৰ বিষয়ে অৱগত নকৰিমনে, যিটো আমল নফল ৰোজা, নফল নামাজ আৰু দান-খয়ৰাততকৈও উত্তম? তেওঁলোকে ক'লেঃ হয়, নিশ্চয় কওক। তেখেতে ক'লেঃ সেইটো হৈছে দুই বিবাদকাৰীৰ মাজত মীমাংসা কৰি দিয়া। কাৰণ বিবাদৰ ফলত মানুহৰ মাজত বিভেদ, শত্ৰুতা, ঘৃণা আৰু বিচ্ছিন্নতা সৃষ্টি কৰে। মানুহৰ মাজত সম্পৰ্কৰ অৱনতিৰ ফলত যি ঘৃণাৰ সৃষ্টি হয়, সেইটো হৈছে এনেকুৱা এটা বৈশিষ্ট্য, যিয়ে দ্বীন আৰু দুনিয়া ধ্বংস কৰি দিয়ে তথা মচি দিয়ে, যিদৰে ক্ষুৰ আদিৰ দ্বাৰা চুলি খোৰোৱা হয়।

http://www.sunnah.global/hadeeth/as/show/66252